এই সফলতাই জাপানৰ ৰাজনীতি, অৰ্থনীতি, সামাজিক, সামৰিক আদি সকলো দিশতে নতুনত্ব প্ৰদান কৰি জাপানক নতুনৰ দিশলৈ আগুৱাই নিছিল।

**(ii) আধুনিকতাৰ পথত জাপান ঃ সামাজিক, সামৰিক আৰু অৰ্থনৈতিক দিশ (Process of modernization in Japan: Social, Military and Economic)**

মেইজী প্ৰশাসনৰ সময়ছোৱাত জাপানে আধুনিক যুগলৈ গতি আৰম্ভ কৰে। পূৰ্বৰ ট'ক'গুৱা চ'গ'নেটৰ শাসনকাললৈকে থকা জাপানৰ গোড়া আৰু সংকীৰ্ণ নীতিৰ অন্ত পেলাই সেই সময়ৰ পৰা জাপানে আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণত (Modernization and Westernization) মনোনিৱেশ কৰে। মেইজী পুনৰুত্থানৰ লগে লগে জাপানৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সামৰিক আদি সকলো দিশতে সম্পূৰ্ণ নতুনত্ব আহি পৰে। বহি-ৰ্দেশৰ লগত হোৱা সম্পৰ্কৰ ফলত জাপানৰ জনসাধাৰণে নিজৰ ভুল-ত্ৰুটিসমূহ বিবেচনা কৰি চাব জনা হৈছিল। পশ্চিমীয়া শিক্ষা-সংস্কৃতি তথা বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ জ্ঞান লাভ কৰি জাপানীসকলে নিজকে বিশ্বৰ অন্যান্য দেশৰ লগত খোজ মিলাব পৰা কৰি গঢ়ি তুলিবৰ বাবে প্ৰচেষ্টা আৰম্ভ কৰিছিল। মেইজী প্ৰশাসনৰ নেতৃত্বত জাপানত যি সংস্কাৰৰ কাৰ্যসূচী হাতত লোৱা হৈছিল, জাপানৰ সেই প্ৰচেষ্টাই অতি কম সময়ৰ ভিতৰতে সফলতা লাভ কৰাৰ লগতে জাপানক আধুনিক যুগত প্ৰৱেশ কৰায়।

**1. সামাজিক পৰিৱৰ্তন (Social changes)**

সামাজিক পৰিৱৰ্তন মেইজী প্ৰশাসনৰ এক উল্লেখযোগ্য সফলতা। মেইজী পুনঃসংস্থাপনৰ পাছতেই জাপানৰ সম্ৰাট মুটচহিটে সামাজিক পৰিৱৰ্তনৰ বাবে বিভিন্ন কাৰ্যপন্থা হাতত লয়। সম্ৰাটৰ এনে পদক্ষেপৰ ফলতেই জাপানৰ সমাজত বিভিন্ন পৰিৱৰ্তন আহি পৰে। এই পৰিৱৰ্তনসমূহে জাপানত আধুনিক যুগৰ

আৰম্ভণি কৰে। মেইজী প্ৰশাসনৰ দিনত জাপানৰ সামাজিক দিশত পৰিৱৰ্তন অনা প্ৰধান কাৰ্যসমূহ আছিল—

(ক) সামন্তবাদৰ অন্ত (Abolision of feudalism)

(খ) কৃষকসকলৰ অৱস্থা উন্নতি (Conditions of Peasants improved)

(গ) শিক্ষাৰ সংস্কাৰ (Education reform)

(ঘ) ধৰ্মীয় ক্ষেত্ৰত পৰিৱৰ্তন (Changes in religions)

(ঙ) নতুন আইন প্ৰণয়ন (New code of Law) ইত্যাদি।

মেইজী প্ৰশাসনৰ সময়ছোৱাত জাপানৰ সামাজিক গাঁঠনিৰ যথেষ্ট পৰিৱৰ্তন হৈছিল। ট'ক'গুৱা চ'গ'নেটৰ শাসনৰ সময়লৈকে জাপানৰ সমাজখন প্ৰাচীন ৰীতি-নীতিৰদ্বাৰা পৰিচালিত হৈছিল। কিন্তু মেইজী পুনৰুত্থানে জাপানক আধুনিকতাৰ পথত আগুৱাই নিয়ে। সেই সময়ৰ পৰা জাপানীসকলে নিজকে পশ্চিমীয়া আৰ্হিত সজাই তোলে। তেওঁলোকে পশ্চিমীয়া আদৰ্শত জীৱন-ধাৰণ কৰিবলৈ আৰম্ভ কৰে। ট'ক'গুৱাসকলৰ শাসনকালত জাপানৰ সমাজখন বিভিন্ন শ্ৰেণীত ভাগ কৰা হৈছিল। সমাজত সামন্ত নেতা (Feudal lords) সকলৰ সন্মান আৰু প্ৰতিপত্তি যথেষ্ট আছিল। তেওঁলোকৰ পাছতে স্থান আছিল চামুৰাইসকলৰ। সাধাৰণ শ্ৰেণীৰ লোকৰ সামাজিক স্থিতি অত্যন্ত দুৰ্বল আছিল। কিন্তু মেইজী পুনৰুত্থানৰ পাছত এই সামাজিক বৈষম্যৰ অন্ত পৰে। সম্ৰাট মুটচ'হিচে ১৮৭১ চনত এখন আইনৰ জৰিয়তে জাপানত সামন্তবাদৰ অন্ত পেলায়। সামন্তবাদৰ অন্ত পৰাত এক নতুন সামাজিক গাঁঠনি আৰম্ভ হয়। এই নতুন সমাজব্যৱস্থাত সকলো লোকক সামাজিক দৃষ্টিত সমকক্ষ জ্ঞান কৰাৰ লগতে সকলোকে সমান সুবিধা পাবৰ যোগ্য হিচাপে বিবেচনা কৰা হয়। মেইজী পুনৰুত্থানৰ ফলত জাপানক কৃষক আৰু শ্ৰমিকসকলৰ অৱস্থাৰ উন্নতি ঘটিছিল। সামন্তবাদৰ অন্ত পৰাত কৃষকসকলে সামন্ত নেতা বা সামন্ত প্ৰভুৰ কৰ্তৃত্বৰ পৰা মুক্তি পাইছিল।

ফলত কৃষকসকলে স্বাধীনভাৱে নিজৰ থকা খোৱা, কৃষিভূমিৰ হস্তান্তৰ বা বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰিছিল। তাৰোপৰি পূৰ্বৰ সামন্ত নেতাসকলে কৃষকৰ পৰা উৎপাদিত শস্য কৰ হিচাপে নিছিল। কিন্তু মেইজী প্ৰশাসনৰ কালত উৎপাদিত শস্যৰ পৰিৱৰ্তে নগদ ধনেৰে কৰ পৰিশোধ কৰিব পৰা হোৱাত কৃষকৰ আৰ্থিক দিশত উন্নতি হৈছিল। ১৯১১ চনত এখন "ফেক্টৰী আইন" (Factory Act) প্ৰবৰ্তন কৰি শ্ৰমিকসকলক বিভিন্ন সুবিধা প্ৰদান কৰা হৈছিল। এক "চ'চিয়েল বুৰ" (Social Bureau) প্ৰতিষ্ঠাৰ দ্বাৰা শ্ৰমিকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

মেইজী প্ৰশাসনৰ সময়ছোৱাত শিক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে সংস্কাৰ সাধন কৰা হৈছিল। ১৮৬৮ চনৰ "চাটাৰ অথ" অনুসৰি শিক্ষাৰ ক্ষেত্ৰত পূৰ্বতে থকা সকলো ধৰণৰ বাধা-নিষেধ উঠাই দিয়া হৈছিল। জ্ঞান আহৰণৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীনতা দিয়াৰ লগতে প্ৰয়োজনীয় জ্ঞান যিকোনো উৎসৰ পৰাই আহৰণ কৰাত গুৰুত্ব দিয়া হৈছিল। ১৮৭১ চনত জাপানত শিক্ষাবিভাগ (Education Department)খোলা হৈছিল। এই বিভাগ স্থাপনৰ জৰিয়তে উচ্চ-নীচ, ধনী-দুখীয়া, পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৰে বাবে শিক্ষা গ্ৰহণ মুকলি কৰি দিয়া হৈছিল। ১৮৮২ চনত এখন ৰাজকীয় ঘোষণাপত্ৰৰ (Imperial Mandate) জৰিয়তে —

১। প্ৰাথমিক শিক্ষা সকলোৰে বাবে বাধ্যতামূলক কৰা হৈছিল।

২। আমেৰিকাৰ আৰ্হিত প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰা হৈছিল।

৩। ছয় বছৰ বয়সৰ সকলো ল'ৰা আৰু ছোৱালীক প্ৰাথমিক শিক্ষা দিয়াটো বাধ্যতামূলক কৰা হৈছিল।

৪। প্ৰাথমিক শিক্ষা চাৰি বছৰীয়া কৰা হৈছিল পাছলৈ এই চাৰি বছৰীয়া প্ৰাথমিক শিক্ষাৰ ম্যাদ ছয় বছৰলৈ বৃদ্ধি কৰা হৈছিল। মাধ্যমিক শিক্ষাৰ বাবেও বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছিল। মাধ্যমিক পৰ্য্যায়ত ল'ৰা আৰু ছোৱালীৰ ক্ষেত্ৰত বেলেগ বেলেগ

শিক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ছোৱালীসকলৰ বাবে ভৱিষ্যতে সমাজত পত্নী আৰু মাতৃ হিচাপে ল'ব লগা ভূমিকাৰ ওপৰত শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছিল। ১৯০২ চনলৈকে বিশ্ববিদ্যালয় পৰ্য্যায়ত কেৱল ল'ৰাবহে শিক্ষাৰ অধিকাৰ আছিল। ১৯০২ চনৰ পাছৰ পৰা ছোৱালীৰ বাবেও উক্ত শিক্ষাৰ ব্যৱস্থা কৰা হয়। শিক্ষকসকলৰ প্ৰশিক্ষণৰ বাবে বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰ খোলা হৈছিল। আনহাতে মেইজী প্ৰশাসনে পশ্চিমীয়া শিক্ষাবো পৃষ্ঠপোষকতা কৰিছিল। খ্ৰীষ্টান মিছনাৰীসকলক শিক্ষা প্ৰচাৰৰ স্বাধীনতা দিয়া হৈছিল। মিছনাৰীসকলে নিজাববীয়াকৈ শিক্ষা প্ৰতিষ্ঠান খোলাৰ লগতে পশ্চিমীয়া বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জ্ঞান আহৰণত মেইজী প্ৰশাসনে সম্পূৰ্ণ গুৰুত্ব দিছিল। ইংৰাজী শিক্ষাৰ প্ৰচাৰৰ জৰিয়তে পশ্চিমীয়া জগতখনৰ লগত চিনাকী হৈ পশ্চিমীয়া আৰ্দশেৰে আধুনিকতাৰ পথত আগবাঢ়ি যাবলৈ জাপানৰ সকলো লোকক উৎসাহিত কৰা হৈছিল। পশ্চিমীয়া ভাষা বিশেষকৈ ইংৰাজীত লিখা বহুতো গ্ৰন্থ জাপানী ভাষালৈ অনুবাদ কৰা হৈছিল। সেইবোৰৰ ভিতৰত পশ্চিমীয়া সাহিত্য, ইতিহাস, দৰ্শন, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি তত্ত্ব, নাটক, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত ৰচিত গ্ৰন্থ ইত্যাদি উল্লেখযোগ্য। পশ্চিমীয়া আদৰ্শত জাপানত বিশ্ববিদ্যালয়ো প্ৰতিষ্ঠা কৰা হৈছিল। তাৰোপৰি জাপানৰ বহুতো ছাত্ৰক বাহিৰৰ উন্নত দেশবোৰলৈ উচ্চশিক্ষাৰ বাবে পঠোৱা হৈছিল। নতুন দৰ্শন আৰু আধুনিকীকৰণ প্ৰচাৰৰ বাবে বাতৰি কাকত আৰু মেগাজিনসমূহেও উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

মেইজী পুৰুখানৰ পাছত জাপানত ধৰ্মীয় দিশতো পৰিৱৰ্তন আহিছিল। জাপানত পূৰ্বৰ ধৰ্মীয় পৰম্পৰা পুনৰ প্ৰতিষ্ঠা হৈছিল। জাপানীসকলে ধৰ্ম আৰু ৰাষ্ট্ৰক এক হিচাপে জ্ঞান কৰিছিল। তেওঁলোকৰ মতে জাপানৰ প্ৰশাসকক স্বৰ্গৰ পৰা পোনপটীয়াকৈ শাসন কৰিবৰ বাবে পঠায়। সেয়েহে জাপানৰ সম্ৰাটজনেই ধৰ্মীয় ক্ষেত্ৰতো মুৰব্বী আছিল। জাপানৰ সম্ৰাটক ভগৱানৰ বংশধৰ

বা স্বৰ্গীয় বংশধৰ (Descended from Heaven) হিচাপে জ্ঞান কৰি পূজা কৰা হৈছিল। এনেদৰে সম্ৰাট বা তেওঁৰ পূৰ্বপুৰুষসকলক পূজা কৰা পদ্ধতি "চিন্তু প্ৰথা" (Shinto Cult) হিচাপে জনা যায়। জাপানত মেইজী পুনঃসংস্থাপন লগে লগে চিন্তু প্ৰথাৰো পুনৰুত্থান ঘটিছিল। বিভিন্ন স্থানত চিন্তু পূজাৰ বেদীসমূহ নিৰ্মাণ কৰা হৈছিল আৰু সেই ঠাইলৈ বিদ্যালয় পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীসকল যোৱাটো বাধ্যতামূলক কৰা হৈছিল। ৰাষ্ট্ৰীয় বা ৰাজ্যিক পৰ্য্যায়ৰ চিন্তুবেদীসমূহ সকলো সামৰিক আৰু অসামৰিক লোকে দৰ্শন কৰিব পাৰিছিল। এনেদৰেই ট'ক'গুৱা চ'গ'নেটৰ প্ৰশাসনৰ সময়ত জাপানত সম্ৰাটক অকলশৰীয়া কৰি যি স্বেচ্ছাচাৰী শাসন চলোৱা হৈছিল, মেইজী প্ৰশাসনৰ সময়ত তাৰ অন্ত পৰিছিল। ধৰ্মীয় ক্ষেত্ৰত জাপানত অন্যান্য ধৰ্ম বিশেষকৈ খৃষ্টানসকলকো সম্পূৰ্ণ ধৰ্মীয় স্বাধীনতা দিয়া হৈছিল।

মেইজী প্ৰশাসনে আইনৰ ক্ষেত্ৰতো সংশোধনী ঘটাইছিল। নতুন প্ৰশাসনে ফ্ৰান্স আৰু ৰাছিয়াৰ আৰ্হিত নতুন নতুন আইন প্ৰৱৰ্তন কৰিছিল। পুৰণি আইন ব্যৱস্থাত যি কঠোৰ শাস্তি বিধান আছিল, নতুন আইনসমূহৰ দ্বাৰা সেইসমূহৰ সংশোধন কৰা হৈছিল। বাণিজ্যিক আইনসমূহ জাৰ্মানীৰ বাণিজ্যিক আইনৰ আৰ্হিত প্ৰস্তুত কৰা হৈছিল। দোষীক বিচাৰ কৰাৰ ক্ষেত্ৰত ফ্ৰান্সৰ আইনৰ অনুকৰণ কৰা হৈছিল। ১৮৯০ চনত আইনৰ সংশোধনী সম্পূৰ্ণ কৰা হৈছিল। বিচাৰকসকলক উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণ দিয়া হৈছিল।

## 2. সামৰিক পৰিৱৰ্তন (Military Changes)

মেইজী শাসনৰ আৰম্ভণিৰ লগে লগে জাপানৰ সামৰিক দিশতো পৰিৱৰ্তন অনা হৈছিল। পূৰ্বৰ ট'ক'গুৱা চ'গ'নেটৰ শাসনকালত সামন্ত নেতা বা ডাইমোসকলৰ যথেষ্ট সামৰিক ক্ষমতা আছিল। প্ৰতিজন সামন্ত নেতাৰ অধীনত বহুতো সৈনিক বা চামুৰাই আছিল। চামুৰাইসকলৰ ওপৰত ডাইমোসকলৰ কৰ্তৃত্ব থকাৰ ফলত চামুৰাইসকল তেওঁলোকৰ প্ৰথম অনুগত আছিল। সামন্ত

নেতাসকলৰ বহুসময়ত শক্তিশালী সামন্ত নেতাসকলে চামুৰাইসকলৰ সহযোগাত চ'গ'নেটৰ বিৰুদ্ধেও বিদ্রোহ ঘোষণা কৰিছিল। মেইজী ৰেষ্টৰেচনৰ পাছত জাপানত সামন্তবাদৰ অন্ত পেলালেও বহুতো সামন্ত নেতা শক্তিশালী হৈয়েই আছিল। সেয়েহে সম্রাট মুটচ'হিটে জাপানত সম্রাটৰ সৰ্বোচ্চ ক্ষমতা প্ৰতিষ্ঠাৰ বাবে সামৰিক বাহিনীৰ পুনৰ গঠন অত্যন্ত জৰুৰী বুলি উপলব্ধি কৰিছিল। সামন্ত নেতাসকলক বশ কৰি ৰাখিবৰ বাবে সেই সময়ত জাপানত এক শক্তিশালী কেন্দ্ৰীয় সামৰিক বাহিনীৰ অতি প্ৰয়োজন হৈ উঠিছিল। ১৮৭৩ চনত জাপানত জাৰ্মানীৰ আৰ্হিত সৈন্য বাহিনীৰ পুনৰ গঠনৰ কাম আৰম্ভ হৈছিল। জাপানৰ সকলো পুৰুষৰ বাবে তিনিবছৰৰ সামৰিক সেৱা বাধ্যতামূলক কৰা হৈছিল। জাপানৰ সৈন্য বাহিনীৰ পুনৰ গঠনৰ কাৰ্যত সহায় কৰিবৰ বাবে ফ্ৰান্স আৰু জাৰ্মানীৰ অভিজ্ঞ উপদেষ্টা নিয়োগ কৰা হৈছিল। নৌ সেনাবাহিনীৰ পুনৰ গঠনত সহায় কৰিবলৈ ইংলেণ্ডৰ নৌ সেনাবাহিনীৰ বিষয়াৰ সহায় লোৱা হৈছিল। জাপানী সামৰিক বাহিনী আৰু নৌসেনা বাহিনীক সকলো ধৰণৰ আধুনিক যুদ্ধ সামগ্ৰী আৰু ক্ষেপণাস্ত্ৰৰ প্ৰশিক্ষণ দিয়া হৈছিল। এনেদৰেই জাৰ্মানী, ফ্ৰান্স আৰু ইংলেণ্ডৰ সহযোগত জাপানৰ সামৰিক বাহিনীক আধুনিকীকৰণ কৰাৰ লগতে শক্তিশালী কৰি গঢ়ি তোলা হৈছিল।

### 3. অৰ্থনৈতিক পৰিৱৰ্তন (Economic changes)

মেইজী পুনঃসংস্থাপনৰ পাছত জাপানৰ অৰ্থনৈতিক ব্যৱস্থা অমূল পৰিৱৰ্তন আহি পৰিছিল। এই নতুন অৰ্থনৈতিক গাঁঠনিয়ে জাপানৰ অৰ্থনৈতিক উন্নয়ন ঘটোৱাৰ লগতে অৰ্থনৈতিক দিশত জাপানে বিশ্বৰ আগশাৰীৰ দেশসমূহৰ লগত খোজ মিলাব পৰা হৈছিল। জাপানৰ অৰ্থনৈতিক পৰিৱৰ্তন তথা বিকাশ আছিল মেইজী প্ৰশাসনৰ এক উল্লেখযোগ্য সাফল্য। জাপানৰ অৰ্থনৈতিক পৰিৱৰ্তনৰ প্ৰতিফলন ঘটোৱা প্ৰধান কাৰ্যসমূহ আছিল—

(ক) অৰ্থনৈতিক উন্নয়ন (Economic progress)

(খ) উদ্যোগীকৰণ (Industrialization)

(গ) বেংক প্ৰতিষ্ঠা (Establishment of banks)

(ঘ) মুদ্ৰানীতিৰ সংস্কাৰ (Currency reform)

(ঙ) ৰাজহ সংস্কাৰ (Revenue reform)

কোনো এখন ৰাষ্ট্ৰৰ প্ৰকৃত উন্নয়ন নিৰ্ভৰ কৰে অৰ্থনৈতিক উন্নয়নৰ ওপৰত। সেয়েহে মেইজী প্ৰশাসনে অৰ্থনৈতিক উন্নয়নৰ বাবে বিভিন্ন কাৰ্যপন্থা হাতত লৈছিল। সামন্তবাদৰ অন্ত পেলোৱাৰ পাছত সামন্ত নেতাসকলক পূৰ্ব ৰাজহৰ হিচাপৰ এক দশমাংশ বাৰ্ষিক পেঞ্চনৰ ব্যৱস্থা কৰা হৈছিল। তেওঁলোকৰ ঋণসমূহৰ দায়িত্ব কেন্দ্ৰীয় প্ৰশাসনে লোৱাৰ লগতে বহু লোন নাকচো কৰা হৈছিল। এই ব্যৱস্থাৰ ফলত সামন্ত নেতাসকলৰ অৱস্থা পূৰ্বতকৈ উন্নত হৈছিল। সামন্তবাদৰ পতনে জাপানৰ কৃষকসকলৰ ওপৰত সম্পূৰ্ণ প্ৰভাৱ পেলাইছিল। এই পৰিৱৰ্তনে কৃষকসকলক সামন্ত প্ৰভুসকলৰ কৰ্তৃত্বৰ পৰা মুক্ত কৰাৰ লগতে অৰ্থনৈতিক স্বাৱলম্বীতাও আনি দিছিল। মেইজী প্ৰশাসনে কৃষকসকলৰ মাজত ভূমি বিতৰণৰ ব্যৱস্থা কৰিছিল। ১৮৯৪ চনৰ পৰা ১৯১৪ চনৰ ভিতৰত জাপানৰ প্ৰায় ৫.৪ নিযুত পৰিয়ালৰ গড় হিচাপত ২.৬ একৰ ভূমি আছিল। এই ভূমিৰ পৰা সংগৃহীত কৰৰ দ্বাৰা জাপানৰ অৰ্থনৈতিক উন্নয়ন হৈছিল। ১৯০৮ চনত প্ৰকাশ পোৱা এক সমীক্ষাৰ মতে সেই সময়ত জাপানত উদ্যোগসমূহতকৈ কৃষিখণ্ডৰ পৰা অধিক ৰাজহ সংগ্ৰহ হৈছিল। তাৰোপৰি কৃষকসকলক ভূমি হস্তান্তৰ বা বিক্ৰীৰ স্বাধীনতা দিয়াৰ ফলত কৃষকসকল অধিক স্বাধীন হৈছিল আৰু পূৰ্বৰ তুলনাত কৃষিকাৰ্যত অধিক মনোনিৱেশ কৰিব পাৰিছিল। পূৰ্বৰ সামন্ত নেতাসকলৰ কবলৰ পৰা মুক্তি পোৱাত কৃষকসকলৰ অৱস্থাৰ উন্নতি হোৱাৰ লগতে কৃষি অৰ্থনীতিৰো উন্নতি ঘটিছিল। জাপানৰ নতুন প্ৰশাসন ব্যৱস্থাত পুঁজিপতিসকলৰ অৱস্থা অতি স্বচ্ছল হৈ উঠিছিল। সামন্তবাদৰ পতনে জাপানত উদ্যোগপতি, বেংকাৰ,

ব'কাৰ আৰু ধনী বণিকসকলৰ উন্নয়নত অৰিহণা যোগাইছিল।

জাপানৰ উন্নয়নৰ বাবে উদ্যোগীকৰণ অপৰিহাৰ্য্য আছিল বুলি জাপানীসকলে অনুধাবন কৰিছিল। মেইজী পুনঃসংস্থাপনৰ আগতেই জাপানত উদ্যোগীকৰণ আৰম্ভ হৈছিল। চাতচুমা সামন্ত নেতাসকলে (Satsuma Lords) জাপানত বিভিন্ন উদ্যোগ স্থাপনৰ জৰিয়তে উদ্যোগিক বিকাশ আৰু বাণিজ্যিক উন্নতিৰ বাট মুকলি কৰিছিল। তেওঁলোকৰ প্ৰচেষ্টাত বিভিন্ন বস্ত্ৰ উদ্যোগ, লৌহ উদ্যোগ, জাহাজ নিৰ্মাণ উদ্যোগ ইত্যাদি গঢ়ি উঠিছিল। মেইজী প্ৰশাসনৰ সময়ত ক'বে (Kobe), নাগাচাকি (Nagasaki) আৰু য়'ক'চুকা (Yokosuka) উল্লেখযোগ্য জাহাজ নিৰ্মাণ উদ্যোগকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠিত হৈছিল। ওচাকা (Osaka) আৰু টকিয়'ত (Tokyo) অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ উদ্যোগ প্ৰতিষ্ঠা কৰা হৈছিল। ১৮৭০ চনত জাপানত উদ্যোগ মন্ত্ৰণালয় (Ministry of Industry) প্ৰতিষ্ঠা কৰা হৈছিল। বস্ত্ৰ উদ্যোগসমূহ বিশেষকৈ কপাহী বস্ত্ৰ উদ্যোগ, ৰেছমী বস্ত্ৰ উদ্যোগ আৰু উলৰ বস্ত্ৰ উদ্যোগসমূহ ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ডতো প্ৰতিষ্ঠা কৰা হৈছিল।

জাপানত মেইজী পুনঃসংস্থাপনৰ পূৰ্বৰে পৰা উদ্যোগ স্থাপন কৰা হৈছিল যদিও মেইজী পুনৰুত্থানৰ পাছত উদ্যোগসমূহৰ আধুনিকীকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। মেইজী প্ৰশাসনে উদ্যোগীকৰণক গুৰুত্ব দিয়াৰ প্ৰধান কাৰণ আছিল—

১। পশ্চিমীয়া দেশসমূহে সন্মান আৰু শংকা কৰিব পৰাকৈ জাপানে নিজকে শক্তিশালী কৰি গঢ়ি তুলিব বিচাৰিছিল।

২। জাপানৰ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছিল। বৰ্দ্ধিত জনসংখ্যাই যাতে জাপানৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান অৱনমিত নকৰে তাৰ বাবে জাপানৰ উদ্যোগীকৰণ আৰু পশ্চিমীয়া আদৰ্শত আধুনিকীকৰণ প্ৰয়োজনীয় হৈ উঠিছিল।

জাপানৰ প্ৰশাসনে উদ্যোগৰ আধুনিকীকৰণৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছিল। ইয়াৰ কিছুমান উল্লেখযোগ্য পদক্ষেপ আছিল—

১। ১৮৬৬ চনত কপাহী বস্ত্ৰ বয়ন যন্ত্ৰ ইংলেণ্ডৰ পৰা আমদানি কৰা

হৈছিল।

২। উদ্যোগসমূহৰ উন্নয়নৰ বাবে বাহিৰৰ দেশসমূহৰ পৰা অভিজ্ঞ ... উপযুক্ত কাৰিকৰী প্ৰশিক্ষক জাপানলৈ নিমন্ত্ৰণ কৰি আনি তেওঁলোক... নিৰ্দেশত উদ্যোগ পৰিচালিত কৰা হৈছিল। ৰেচমী বস্ত্ৰ, উলৰ ... চিমেণ্ট, ব্লিচিং পাউদাৰ আদি বিভিন্ন উদ্যোগ স্থাপনৰ ... উদ্যোগীকৰণৰ অগ্ৰগতি কৰা হৈছিল।

৩। ১৮৭১ চনত ডাক তাঁৰ বিভাগ (Postal and Telegraph Department) ৰ স্থাপনৰ জৰিয়তে উদ্যোগীকৰণৰ প্ৰচেষ্টাক আৰু এখো... আগুৱাই নিয়া হৈছিল।

৪। ১৮৭১ চনত টকিঅ' আৰু য়াক'হামাৰ মাজত প্ৰথমটো ৰেলপথ স্থাপ... কাম আৰম্ভ হৈছিল। ১৮৭২ চনত জাপানত এই ৰেলপথ স্থাপনৰ কা... সম্পূৰ্ণ হৈছিল।

৫। ১৮৭৩ চনত খনি বিভাগ (Mines department) পৃথককৈ খোল... হৈছিল।

মেইজী প্ৰশাসনৰ সময়ত জাপানত উদ্যোগীকৰণৰ ক্ষেত্ৰত দ্ৰুত বিকা... হোৱা পৰিলক্ষিত হৈছিল। তথাপি উদ্যোগীকৰণৰ ক্ষেত্ৰত জাপানৰ আভ্যন্তৰী... দিশত অন্য এক সমস্যাই দেখা দিছিল। সেই সময়ত জাপানৰ উদ্যোগত পুঁ... খটুৱাব পৰাকৈ পুঁজিৰ পৰিমান কম আছিল। সেয়েহে কিছুমান ব্যক্তিগত মালিক... পুঁজিৰ ওপৰত জাপানৰ উদ্যোগসমূহ নিৰ্ভৰ কৰিবলগীয়া হৈছিল। সেইসকল... ভিতৰত উল্লেখযোগ্য আছিল যাইবাস্তু মিটুচি (Zaibastu Mitushi), মিটচুবি... চুম্মিট'ম' (Mitsubishi Summitomo), য়াচুড (Yasudo) ইত্যাদি। সীমি... পুঁজি ব্যৱস্থাৰ বাবে এইকেইজন লোকৰ হাতত উদ্যোগীকৰণ সীমাবদ্ধ আছি... আৰু ইয়াক যাইবাষ্টিক (Zaibastic) হিচাপে জনা গৈছিল। উদ্যোগৰ লগ... জড়িত সকলো ক্ষেত্ৰ যেনে বেংক, বীমা কোম্পানী আৰু অন্যান্য উদ্যোগি... ফাৰ্মসমূহ এওঁলোকৰ সম্পূৰ্ণ নিয়ন্ত্ৰণত আছিল। যাইবাস্তুৱে সেইসময়ত জাপান... এক-তৃতীয়াংশ চাহ উদ্যোগ, কয়লাখনিসমূহৰ আধা অংশ, নৌ বাণিজ্য, তৈ...

উদ্যোগ, কাগজ উদ্যো...
প্ৰথম অৱস্থাত ব্যক্তি...
ইংলেণ্ড, আমেৰিকা ...
দ্বাৰা আকৰ্ষিত হৈছি...
যন্ত্ৰ-পাতি আমদানি ...
উদ্যোগৰ আধুনিকী...

জাপানৰ অৰ্থ...
চনত জাপানত আ...
সেই একে বছৰতে ...
অৰ্থ বিনিয়োগৰ ব...
Spice Bank) প্ৰ...

মেইজী পুন...
নাছিল বুলিয়েই ...
বৈষম্যই দেখা দি...
তৈয়াৰ কৰিব প...
বৈষম্য দূৰ কৰা ...
স্বাধীনতা বিলু...
আমেৰিকাৰ আ...
দেশতে মুদ্ৰাৰ ...
বাবে ডাকঘৰস...

মেইজী ...
শাসনত উৎপা...
নগদ ধনেৰে ব...
মালিকীস্বত্বৰ ...
ব্যক্তিগত মালি...

উদ্যোগ, কাগজ উদ্যোগ আদি নিয়ন্ত্রণ কৰিছিল। এনেদৰে জাপানৰ উদ্যোগসমূহ প্ৰথম অৱস্থাত ব্যক্তিগত মালিকৰ নিয়ন্ত্ৰণত আছিল। তথাপি জাপানীসকলে ইংলেণ্ড, আমেৰিকা আদি দেশসমূহত হোৱা উদ্যোগিক উদ্ভাৱন আৰু উন্নয়নৰ দ্বাৰা আকৰ্ষিত হৈছিল। মেইজী প্ৰশাসনৰ উদ্যোগত জাপানলৈ বিভিন্ন বিদেশী যন্ত্ৰ-পাতি আমদানি কৰাৰ লগতে বিদেশী বিশেষজ্ঞসকলক আনি জাপানৰ উদ্যোগৰ আধুনিকীকৰণ প্ৰক্ৰিয়া অব্যাহত ৰাখিছিল।

জাপানৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বেংক প্ৰতিষ্ঠা কৰা হৈছিল। ১৮৮২ চনত জাপানত আমেৰিকাৰ আৰ্হিত প্ৰথমটো বেংক প্ৰতিষ্ঠা কৰা হৈছিল। সেই একে বছৰতে চেণ্ট্ৰেল বেংকো প্ৰতিষ্ঠা কৰা হৈছিল। বৈদেশিক বাণিজ্যত অৰ্থ বিনিয়োগৰ বাবে ১৮৮৭ চনত য়াক'হামা স্পাইচ বেংক (Yokohama Spice Bank) প্ৰতিষ্ঠা কৰা হৈছিল।

মেইজী পুনঃসংস্থাপনৰ পূৰ্বে জাপানত কোনো ধৰণৰ কেন্দ্ৰীয় মুদ্ৰানীতি নাছিল বুলিয়েই ক'ব পাৰি। সেয়েহে মুদ্ৰানীতিৰ ক্ষেত্ৰত নানা সময়ত নানা বৈষম্যই দেখা দিছিল। সেই সময়ত প্ৰতিজন সামন্ত নেতাই স্বাধীনভাৱে মুদ্ৰা তৈয়াৰ কৰিব পাৰিছিল। মেইজী প্ৰশাসনৰ সময়ত মুদ্ৰাৰ ক্ষেত্ৰত থকা এই বৈষম্য দূৰ কৰা হয়। নতুন প্ৰশাসনে সামন্ত নেতাসকলক মুদ্ৰাৰ ক্ষেত্ৰত থকা স্বাধীনতা বিলুপ্ত কৰি ৰাষ্ট্ৰীয় মুদ্ৰানীতি তৈয়াৰ কৰে। মেইজী প্ৰশাসনে আমেৰিকাৰ আৰ্হিত জাপানৰ ৰাষ্ট্ৰীয় মুদ্ৰানীতি তৈয়াৰ কৰাৰ ফলত সমগ্ৰ দেশতে মুদ্ৰাৰ ক্ষেত্ৰত সমতা স্থাপন হৈছিল। জনসাধাৰণৰ সঞ্চয়ৰ সুবিধাৰ বাবে ডাকঘৰসমূহত সঞ্চয় আঁচনি খোলা হৈছিল।

মেইজী প্ৰশাসনে ৰাজহৰ ক্ষেত্ৰতো সংশোধন কৰিছিল। পূৰ্বৰ চ'গ'নেটৰ শাসনত উৎপাদিত শস্য কৰ হিচাপে সংগ্ৰহ কৰা হৈছিল। কিন্তু মেইজী প্ৰশাসনে নগদ ধনেৰে কৰ সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। ১৮৭২ চনত জাপানৰ প্ৰশাসনে ভূমি মালিকীস্বত্বৰ চাৰ্টিফিকেট (Land ownership certificate) ৰ জৰিয়তে মাটিৰ ব্যক্তিগত মালিকীস্বত্বক স্বীকৃতি দিছিল। মাটিৰ মালিকীস্বত্বৰ লগতে কৰৰ নতু

পৰিমাণো ধাৰ্য্য কৰা হৈছিল। নতুন ৰাজহ ব্যৱস্থাৰ দ্বাৰা কৃষিশস্যৰ পৰা অধিক ৰাজহ সংগ্ৰহ কৰা হৈছিল। ১৮৭০ চনত জাপানৰ আশী শতাংশ ৰাজহ কৃষিশস্যৰ পৰা সংগৃহীত হৈছিল। কেতিয়াবা বিশেষ পৰিস্থিতিত ৰাজহৰ পৰিমাণ হ্ৰাস কৰাৰ ব্যৱস্থাও আছিল। নগদ ধনৰ লগতে উৎপাদিত দ্ৰব্যৰেও ৰাজহ সোধাৰ ব্যৱস্থাও কৰা হৈছিল।

## প্ৰশ্নাৱলী

### অতি চমু প্ৰশ্ন (Very Short Questions)

১। ট'ক'গুৱা পৰিয়ালৰ শেষৰজন চ'গানৰ নাম কি আছিল?

(Who was the last Shogun of Tokoguwa family?)

২। জাপানত কোনে "মেইজী" উপাধি গ্ৰহণ কৰিছিল?

(In Japan, who adopted the title " Meiji"?)

৩। "মেইজী" শব্দৰ অৰ্থ কি?

(What is the meaning of "Meiji"?)

৪। জাপানীসকলৰ বিদেশী বিৰোধী সংগ্ৰামৰ প্ৰধান শ্ল'গান কি আছিল?

(What was the main slogun of anti-foreign struggle of Japan?)

৫। মিষ্টাৰ হিউস্কেন কোন আছিল।